# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

ooooooo

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী। আজি দেৱী দুৰ্গাক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হৈছে। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে মহিষ মৰ্দিনী দুৰ্গাৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। ভালেসংখ্যক পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই  আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে। আজি বিভিন্ন স্থানত কুমাৰী পূজা সম্পন্ন হ'ব।

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰী তাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰী হাৰ্হি দেৱালয়ে এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহা নৱমী উপলক্ষে এই দেৱালয়ত আজি পুৱাৰে পৰা ভক্তৰ সমাগত পৰিলক্ষিত হৈছে।

**বিশ্বনাথ** জিলাৰ অন্তৰ্গত গহপুৰত অপাৰেচন সিন্দূৰৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে। পেহেলগামৰ হৃদয়বিদাৰক ঘটনাৰ পাছত সেনা বাহিনীৰ সফলতাৰ প্ৰতি শ্ৰদ্ধা জনাই গহপুৰৰ শান্তি ক্লাবে অপাৰেচন সিন্দূৰৰ আৰ্হিৰে পূজা মণ্ডপ নিৰ্মাণ কৰিছে।

বিত্তমন্ত্ৰী অজন্তা নেওগে কালি **গোলাঘাট** চহৰৰ মাজমজিয়াত আয়োজন কৰা কেইবাখনো পূজাস্থলীত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণ কামনা কৰি দেৱী দুৰ্গাৰ চৰণত সেৱা আগবঢ়াইছে।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। বিগত বৰ্ষসমূহৰ দৰে আনন্দ উছাহ নাই যদিও আধ্যাত্মিকতাৰ মাজেৰে এইবাৰ শাৰদীয় পূজা অনুষ্ঠিত হৈছে। শান্তি-সম্প্ৰীতি, সুখ-সমৃদ্ধি আৰু মংগল কামনাৰে দেৱী দৌলত হাঁহ, ছাগলী, কোমোৰা উচৰ্গা কৰি ভক্তই পূজা অৰ্চনা কৰিছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত কালি পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হয়। অৱশ্যে কালি ধুমুহা-বৰষুণৰ ফলত কাচাৰ জিলাৰ কেইবাখনো পূজা মণ্ডপৰ ক্ষতি হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছত যোৰহাটত ৰাজহুৱাকৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আজি যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ সদস্যসকলে প্ৰয়াত শিল্পীগৰাকীৰ চিতাভস্ম লৈ কালি যোৰহাটত উপস্থিত হয়। যোৰহাটলৈ ৰাওনা হোৱাৰ পথত সোণাপুৰত জুবিন গাৰ্গৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি পত্নী গৰিমা শইকীয়া গাৰ্গে জুবিন গাৰ্গৰ আকস্মিক মৃত্যু সন্দৰ্ভত শান্তিপূৰ্ণভাৱে আইন-শৃংখলা বৰ্তাই ৰাখি ন্যায়ৰ বাবে দাবী জনাবলৈ সকলোকে আহ্বান জনায়।

*বাইট (গৰিমা গাৰ্গ)*

যোৰহাটৰ ৰাইজে কালি শিল্পীগৰাকীৰ পৰিয়ালৰ পৰা অশ্ৰুসিক্ত নয়নেৰে চিতাভস্ম গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত কালি নিশা চিতাভস্মখিনি ৰখা হয়। আজি পুৱাৰে পৰা শিল্পীগৰাকীৰ চিতাভস্মত যোৰহাটবাসীয়ে শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সৰ্বধৰ্ম প্ৰাৰ্থনা, নাম-প্ৰসংগৰে ১৩ দিনীয়া মাংগলিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। ৰাজ্যৰ প্ৰায় দুহেজাৰ ভকত-বৈষ্ণৱে এই নাম-প্ৰসংগত অংশ ল'ব। লগতে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বহুসংখ্যক শিল্পীয়ে জুবিন গাৰ্গৰ লাইভ পেইণ্টিং কৰিব।

অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ নিশাও আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে। কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ তেওঁ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

ইফালে প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ পাছত ডিব্ৰুগড় জিলাতো ১৩ দিনীয়া মাংগলিক নিয়ম যথা ৰীতি-নীতি পৰম্পৰাৰে আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হৈছে। জিলাখনৰ হিলৈধাৰী গাঁৱৰ ধ্ৰুৱজ্যোতি সংঘৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি নাম-কীৰ্তন কৰে। জিলাখনৰ নতুন নিৰ্মালী গাঁও, উদয়পুৰ, অসম চিকিৎসা মহাবিদ্যালয়ৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ লগতে বৃহত্তৰ ৰহমৰীয়াৰ চামনি গাঁৱতো শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০০

**সমাপ্ত**